**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে ৰাজনৈতিক জল্পনা-কল্পনা অব্যাহত আছে। ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত জয়লাভ কৰাৰ পাছত চৰকাৰ গঠনৰ বাবে এন ডি এ সাজু হৈ উঠিছে।

২। দেশজুৰি আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হৈছে।

৩। চত্তিশগড়ৰ চুকমা জিলাত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত আজি দুগৰাকী মহিলা সদস্যকে ধৰি ৩ গৰাকী মাওবাদী উগ্ৰপন্থী নিহত হয়। *আৰু*

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত টেষ্ট ক্ৰিকেটত দক্ষিণ আফ্ৰিকাই ভাৰতৰ সন্মুখত জয়ৰ বাবে ১২৪ ৰানৰ লক্ষ্য বান্ধি দিছে।

০০০০

বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে ৰাজনৈতিক জল্পনা-কল্পনা অব্যাহত আছে। ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত জয়লাভ কৰাৰ পাছত চৰকাৰ গঠনৰ বাবে এন ডি এ সাজু হৈ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা লোক জনশক্তি পাৰ্টি ৰামবিলাসৰ সভাপতি চিৰাগ পাচোৱান, হিন্দুস্তানী আৱাম মৰ্চাৰ সভাপতি সন্তোষ সুমন তথা এন ডি এৰ কেইবাগৰাকীও নেতাই জনতা দল ইউনাইটেডৰ সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰক কালি পাটনাত সাক্ষাৎ কৰে। এই বৈঠকত চৰকাৰ গঠন সন্দৰ্ভত অনানুষ্ঠানিক আলোচনা কৰা হয়। জে ডি ইউৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙেও জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক কালি সন্ধিয়াৰ ভাগত নতুন দিল্লীত সাক্ষাৎ কৰে। এই বৈঠকত বিহাৰত নতুন চৰকাৰ গঠনৰ বাবে প্ৰাৰম্ভিক আলোচনা সম্পন্ন হয় বুলি জানিব পৰা গৈছে। ৰাজ্যিক কেবিনেটৰ অন্তিমখন বৈঠক কাইলৈ অনুষ্ঠিত হোৱাৰ কথা। এই বৈঠকত কেবিনেট ভংগ কৰাৰ বাবে প্ৰস্তাৱ দিয়া হ'ব। জে ডি ইউ দলে ইতিমধ্যে ৮৫ গৰাকী নৱ নিৰ্বাচিত বিধায়কক পাটনালৈ তলব কৰিছে। জে ডি ইউৰ বিধায়িনী দলৰ এখন বৈঠক কাইলৈ অনুষ্ঠিত হ'ব। এই বৈঠকত দলটোৰ সভাপতি নীতিশ কুমাৰ, বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে।

০০০০

দেশজুৰি আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হৈছে। দেশৰ গণতন্ত্ৰ শক্তিশালী কৰি তোলাত মুক্ত, দায়িত্বশীল আৰু নৈতিক মানসম্পন্ন সংবাদমাধ্যমৰ গুৰুত্বপূৰ্ণ ভূমিকা পুনৰ নিশ্চিত কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। ১৯৬৬ চনৰ আজিৰ দিনটোতে প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়া স্থাপিত হৈছিল। প্ৰতিষ্ঠা কালৰে পৰা এই কাউন্সিলে সংবাদ মাধ্যমৰ স্বাধীনতা, সাংবাদিকতাৰ মান বজাই ৰখাৰ লগতে সংবাদমাধ্যমে সন্মুখীন হৈ অহা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাত নিষ্ঠাৰে কাম কৰি আহিছে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসে এখন গণতান্ত্ৰিক দেশত দায়িত্বশীল তথা মুক্ত সংবাদমাধ্যমৰ ভূমিকা প্ৰতিফলিত কৰে। এই দিৱসৰ সৈতে সংগতি ৰাখি স্মৰণিকা মুকলি কৰা, উৎকৰ্ষতাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদানকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। চৰকাৰী তথ্য অনুসৰি সংবাদ মাধ্যমৰ পৰিধি অবিৰতভাৱে প্ৰসাৰিত হৈ আছে। ২০০৪ চনত পঞ্জীয়নভুক্ত সংবাদমাধ্যমৰ সংখ্যা ৬০ হাজাৰ থকাৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত এই সংখ্যা ডেৰ লাখতকৈ অধিক হোৱা বুলি তথ্য প্ৰকাশিত হৈছে। নতুন প্ৰেছ

এণ্ড ৰেজিষ্ট্ৰেছন অৱ পিৰিয়ডিকেল এক্ট ২০২৩ আৰু সম্পূৰ্ণ ডিজিটেল প্ৰেছ সেৱা পোৰ্টেলকে ধৰি শেহতীয়া কিছু সংস্কাৰৰ জৰিয়তে পঞ্জীয়ন ব্যৱস্থা সুচল হৈ উঠাৰ উপৰি সমগ্ৰ ব্যৱস্থা স্বচ্ছ হোৱা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসে দেশৰ গণতান্ত্ৰিক ব্যৱস্থা শক্তিশালী কৰি তোলা সংবাদমাধ্যমৰ ভূমিকা সোঁৱৰাই দিয়ে। এই দিৱসৰ জৰিয়তে সংবাদ মাধ্যমৰ সফলতাৰ উপৰি সাংবাদিকতাৰ ভৱিষ্যত শক্তিশালী, মুক্ত আৰু দায়িত্বশীল হৈ থকাটো নিশ্চিত কৰি এখন স্বচ্ছ আৰু প্ৰকৃত তথ্যৰে ভৰা সমাজ গঢ়াত মাধ্যমটোৰ দায়িত্বৰ ওপৰত আলোকপাত কৰা হয়।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি সন্ধিয়াৰ ভাগলৈ হায়দৰাবাদ ভ্ৰমণ কৰাৰ কথা। ৰাজ্যখনৰ বেগমপেট বিমানবন্দৰত উপৰাষ্ট্ৰপতিগৰাকীক চৰকাৰীভাৱে আদৰণি জনোৱা হ'ব। শ্ৰীৰাধাকৃষ্ণণে ফিল্মছিটিত ৰাম'জী উৎকৰ্ষ বঁটা ২০২৫ অনুষ্ঠানত অংশগ্ৰহণ কৰি পুনৰ দিল্লীলৈ উভতি যাব।

০০০০

পৰ্টুগালৰ ভাৰতৰ ৰাষ্ট্ৰদূত পুনিত ৰয় কুণ্ডলে লীজবনত আয়োজিত ডিপ্ল'মেটিক বাজাৰ ২০২৫ ত ভাৰতীয় প্ৰদৰ্শনীলৈ পৰ্টুগালৰ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো দি চুজাক আদৰণি জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত দূতাবাসে প্ৰকাশ কৰে যে এই অনুষ্ঠানৰ জৰিয়তে ভাৰতৰ ঐশ্বৰ্যশালী সাংস্কৃতিক ঐতিহ্যৰ ওপৰত আলোকপাত কৰাৰ লগতে দুয়োখন দেশৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৫০ বছৰ উদযাপন কৰা হৈছে। যোৱা ৫ নৱেম্বৰত ভাৰত আৰু পৰ্টুগালৰ মাজত পঞ্চম বৈদেশিক কাৰ্যালয়ৰ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ লগতে ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক মিত্ৰতা পৰ্যালোচনা কৰা হয়। দুয়োখন দেশে প্ৰতিৰক্ষা, নৱীকৰণযোগ্য শক্তি, কৃষি, বিজ্ঞান আৰু প্ৰযুক্তি, পৰ্যটন আৰু শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা সন্দৰ্ভত আলোচনা কৰাৰ লগতে অমিমাংশিত দ্বিপাক্ষিক চুক্তিসমূহ ত্বৰান্বিত কৰাৰ হকে সহমত পোষণ কৰে। উভয় পক্ষই ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্ক তথা বিভিন্ন আন্তৰ্জাতিক সমস্যা সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তৰ্জাতিক মঞ্চসমূহত সমন্বয়ৰে কাম কৰি যাবলৈ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰে।

০০০০

চত্তিশগড়ৰ চুকমা জিলাত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত আজি দুগৰাকী মহিলা সদস্যকে ধৰি ৩ গৰাকী মাওবাদী উগ্ৰপন্থী নিহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জিলা সংৰক্ষিত বাহিনীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি তুমালপাৰ অঞ্চলৰ অৰণ্যত চলোৱা অভিযানত উগ্ৰপন্থীকেইগৰাকী নিহত হয়। দুয়োপক্ষৰ মাজত চলা গুলিয়াগুলিৰ পাছত এতিয়ালৈ ৩ টা মৃতদেহক উদ্ধাৰ কৰা হৈছে। উল্লেখযোগ্য যে এই তিনিগৰাকী উগ্ৰপন্থীৰ ওপৰত ১৫ লাখ টকাৰ পুৰস্কাৰ ঘোষিত হৈ আছিল। নিৰাপত্তা বিষয়াসকলে ঘটনাস্থলীৰ পৰা এটা ৰাইফল, বি জি এল লঞ্চাৰকে ধৰি কিছু অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক জব্দ কৰিছে। বস্তাৰৰ আৰক্ষীৰ মহা পৰিদৰ্শক সুন্দৰাজ পি য়ে প্ৰকাশ কৰা অনুসৰি আৰক্ষীৰ অতিৰিক্ত দল ইতিমধ্যে ঘটনাস্থলীলৈ ৰাওনা হৈছে। অঞ্চলটোত বৰ্তমান অভিযান অব্যাহত আছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে জম্মু-কাশ্মীৰৰ উধমপুৰ-কথুৱা-দোদা লোকসভা সমষ্টিৰ বাবে প্ৰায় ৮৭ কোটি টকাৰ ব্যয় সাপেক্ষে সম্পূৰ্ণ হোৱা কেইবাটাও প্ৰকল্প মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৯২৪ কোটিতকৈ অধিক টকা ব্যয় সাপেক্ষ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ভাৰ্চুৱেল পদ্ধতিৰে এই অনুষ্ঠানত আয়োজন কৰা হয়। মন্ত্ৰীগৰাকীয়ে লগতে উধমপুৰৰ চন্নি মোৰৰ পৰা ল'ৱাৰ চৌগান ৰোডলৈ পথছোৱা মুকলি কৰে। গ্ৰামীন পথ উন্নয়নৰ ক্ষেত্ৰত দেশৰ ভিতৰতে উধমপুৰে অবিৰতভাৱে শীৰ্ষৰ ৩ খন

জিলাৰ ভিতৰত স্থান লাভ কৰি আহিছে। নতুন প্ৰকল্পসমূহৰ জৰিয়তে দূৰণিবটীয়া গাঁৱসমূহৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে অঞ্চলটোত গ্ৰামীন আন্তঃগাথনি শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বাহৰেইনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ আব্দুল্লাতিফ বিন ৰছিদ আলজায়ানীৰ সৈতে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে দুয়োগৰাকী নেতাই টেলিফোনিক বাৰ্তালাপৰ সময়ত ভাৰত আৰু বাহৰেইনৰ মাজৰ দীৰ্ঘদিনীয়া আৰু বহুমুখী অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে কয় যে সাম্প্ৰতিক আঞ্চলিক আৰু আন্তৰ্জাতিক পৰিস্থিতিৰ বিষয়তো তেওঁলোকে মত বিনিময় কৰে।

0000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্বাধীনতা সংগ্ৰামী কৰতাৰ সিং সাৰাভাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে কৰতাৰ সিং সাৰাভাই ভাৰতৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল আৰু ঘড়ৰ পাৰ্টিৰ জৰিয়তে তেওঁ বহিঃৰাজ্যৰ ভাৰতীয়সকলক দেশৰ স্বাধীনতাৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। শ্ৰীশ্বাহে লগতে কয় যে কৰতাৰ সিং সাৰাভাৰ ত্যাগে স্বাধীনতা আন্দোলনক আৰু অধিক শক্তিশালী কৰি তুলিছিল। তেওঁৰ জীৱনে প্ৰতিজন দেশপ্ৰেমিকক ভক্তিৰে মাতৃভূমিৰ সেৱা কৰিবলৈ অনুপ্ৰাণিত কৰি যাব বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

00000

উত্তৰ প্ৰদেশৰ এটা খনিত কালি সন্ধিয়া এজন ব্যক্তিয়ে প্ৰাণ হেৰুৱাইছে আৰু কেইবাজনো ব্যক্তি সেই খনিটোত আবদ্ধ হৈ পৰাৰ আশংকা কৰা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সহাঁৰি বাহিনী আৰু স্থানীয় উদ্ধাৰকাৰী দলে আৱদ্ধ শ্ৰমিকসকলক উদ্ধাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি আমাৰ সংবাদ দাতাই জানিবলৈ দিছে। ৰাজ্যখনৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান পিয়ুষ মৰ্ডিয়াই সংবাদ মাধ্যমক জনোৱা মতে, ওব্ৰাৰ বিলি মাৰ্কুণ্ডি গাঁৱত থকা খনিৰ ভিতৰৰ এখন দেৱাল খহি পৰাত শ্ৰমিকসকল আৱদ্ধ হৈ পৰে।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। দক্ষিণ আফ্ৰিকাই আজি দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰি ভাৰতৰ সন্মুখত জয়ৰ বাবে ১২৪ ৰানৰ লক্ষ্য বান্ধি দিছে। ভাৰতে বাতৰি লিখাৰ পৰলৈকে ৪ টা উইকেট হেৰুৱাই ৫৯ ৰান কৰি খেলি আছে।

০০০০

সমাপ্ত